# অমৰ শিশু উপন্যাস আফ্‌কে'জ টে'নৰ কাহিনী বিন্যাস

উপন্যাসখনৰ কাহিনীৰ পটভূমি হৈছে হলেণ্ডৰ ফ্ৰিজিয়া অঞ্চলৰ এখন অখ্যাত গাঁৱৰ এটা দৰিদ্ৰ পৰিয়াল। দহোটা ল'ৰা-ছোৱালীৰ মাক আফ্‌কেৰ পৰিয়ালৰ দৰিদ্ৰতাৰ মাজত ডাঙৰ হোৱা ল'ৰা-ছোৱালীমখাৰ কাজিয়া-পেচাল, ঠেহ-পেচ, অভাৱ- অনাটন, আনন্দ, আৱদাৰ আদি কাহিনীৰ মূল উপজীব্য। কাহিনীটো আৰম্ভ হৈছে দহ নম্বৰ সন্তানটো জন্ম হোৱা দিনাৰ ঘটনাৰ বৰ্ণনাৰে। আৰু এটা নতুন কেচুৰা জন্ম হোৱা বুলি গম পাই ডাঙৰকেইটাই ভূমুকি মাৰি বয়স অনুসৰি বিভিন্ন শিশুসুলভ আচৰণ প্ৰকাশ কৰিছে। এই আচৰণবোৰকেই একো একো ঘটনাৰ ৰূপত লানি নিছিগাকৈ ক্ৰম অনুসৰি বৰ্ণনা কৰিছে। ঔপন্যাসিকৰ বৰ্ণনা দক্ষতাৰ বাবে এই আচৰণবোৰেই ঘটনাৰ ৰূপ লৈ পাঠকক এক অতিন্দ্ৰীয় জগতলৈ লৈ গৈছে।

উপন্যাসখনৰ প্ৰতি পৃষ্ঠাৰ প্ৰতিটো ঘটনাতে প্ৰতিফলিত শিশুসুলভ আচৰণত শিশু মনস্তত্ব প্ৰকাশ পাইছে। দৰিদ্ৰপীড়িত ঘৰখনত দাৰিদ্ৰৰ লগত মোকাবিলা কৰিবলৈ প্ৰতিটো সৰু-ডাঙৰ চৰিত্ৰই বয়স অনুসৰি বিভিন্ন কামত নিয়োজত হৈ মাক-দেউতাকক সহায় কৰে। তাৰ মাজতে লুকাই-চুৰকৈ গাঁৱৰ মূৰত থকা এৰাবাৰীখনৰ ৰখীয়া বুঢ়াটোৰ চকুত ধূলি দি খৰি, ফুল, মধুৰিআম আদি আনেগৈ, খেদিবলৈ অহা বুঢ়াটোক বুদ্ধি কৰি বৰফৰ খালত পেলাই ৰং চোৱা, তাৰবাবে স্কুলত শিক্ষকৰ শাস্তি, ঘৰৰ শাস্তিৰপৰা সাৰিবলৈ বা ভালৰি বোলাবলৈ বিভিন্ন কাম কৰি দিয়া, বাহিৰত অঘাইটং কাম কৰাৰ মাজতো মাকৰ কষ্ট পাতলাবলৈ মেণ্ডোলিন কিনিবলৈ এপইচা-দুপইচাকৈ সাঁচি ৰখা পইচাৰে গৰম কাপোৰ কিনি সন্তুষ্টি লভা, নগৰত ঘৰত বনকৰা জীয়েকে ঘৰলৈ আহোঁতে ঘৰলৈ অনা আনৰ পেলনীয়া বস্তুৰে তৃপ্তিৰে খোৱা, বায়েকৰ লগত নগৰলৈ যোৱা সৰু ছোৱালীদুজনীৰ নেদেখা ঠাই দেখাৰ, নোখোৱ বস্তু খাবলৈ পোৱাৰ আশ্চৰ্যকৰ অনুভূতিৰ বৰ্ণনা, নগৰত গৈ দোকানৰ পৰা কেক কিনিবলৈ যাওঁতে পথ ভুল কৰি উৰাদিহ হেৰুৱা, কঁকালত লগোৱা ৰচিত লাগি চোতালৰ চকীতে ওলমি থকা সন্তানক মাক আৰু ওচৰ-চুবুৰীয়াই বিভিন্ন সন্দেহজনৰ ঠাইত বিচাৰি হাবাথুৰি খোৱা আৰু পাছত নিৰাপদ ঠাইত দেখি আশ্বস্ত হোৱাৰ মনোৰম ঘটনা, ডাঙৰ সন্তান চিপাহীৰ কামৰ পৰা ছুটিত ঘৰলৈ আহোঁতে ঘৰখনৰ মাক-দেউতাক, ভায়েক- ভনীয়েকহঁতৰ আনন্দমুখৰ অৱস্থা, চিপাহী পুতেকৰ পৰিকল্পনামতে বৰবিলত নৌকাবিহাৰ কৰি বনভোজ খাবলৈ যাওঁতে নাও ডুবি জুৰুলি-জুপুৰি হোৱা, দুচা সন্তানৰ দুঃসাহসিক কামৰ ফলত কথম্পি ডাঙৰ দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰা, গধূলি ঘৰ আহি পাওঁতে পলম হোৱাত মাক আফ্‌কেৰ দুশ্চিন্তা, গাঁৱৰ মেল মাৰি ফুৰা মহিলাবোৰে আফ্‌কেৰ পৰিয়ালৰ হ'বপৰা দুৰ্ঘটনাৰ বিষয়ে আলোচনা কৰি আফ্‌কেক পুতৌ কৰা, শেষত নৌকাবিহাৰৰ পৰা নিৰাপদে ঘৰলৈ ঘূৰি অহা আদি সৰু-সুৰা ঘটনা কিছুমানকে একেডাল মালাৰ নিচিনাকৈ গাঁথি কাহিনীটো সাজি উলিয়াইছে। এটা পৰিয়ালৰ মাজত দৈনন্দিন ঘটি থকা স্বাভাবিক ঘটনাবোৰকে কোনো অতিৰঞ্জন নকৰাকৈ অতি সহজ ৰূপত বৰ্ণনা কৰিছে। প্ৰতিটো ঘটনাৰ অন্তৰালত নিহিত আছে ল'ৰা-ছোৱালীৰে ভৰপূৰ দৰিদ্ৰ পৰিয়ালৰ সাংসাৰিক জঞ্জাল, সেই জঞ্জালৰ মাজত আছে শিশুৰ কলকলনি আৰু হাই-উৰুমিৰে ভৰা এক ৰহঘৰা, আকৌ সেই ৰহঘৰাৰ মাজত আছে গভীৰ দাৰিদ্ৰৰ প্ৰতি এক সুক্ষ্ম অনুভূতিশীল মনৰ সুতীব্ৰ কৰুণাময়তা। গোটেই কাহিনীটো পঢ়ি এক টেঙেচীয়া -মিঠা অনুভূতি সঞ্চাৰিত হয়, যেন ভাতৰ লগত মৰা জলকীয়াৰ কামোৰটোহে। উপন্যাসখনৰ 'কাহিনী বিন্যাসত ক'তো কল্পনাৰ নিলগৰ ডাঁৰ পাবলৈ নাই।' সকলো ঘটনাই অত্যন্ত স্বাভাৱিক আৰু বাস্তৱসন্মত। আমাৰ চাৰিওফালৰ প্ৰতিটো পৰিয়ালত সদায় ঘটি থকা কিছুমান সৰু-সুৰা ঘটনাৰ গাঁথনিৰে উপন্যাসখনৰ কাহিনীভাগ নিৰ্মাণ কৰিছে। ওপৰে ওপৰে চালে ঘটনাবোৰ বৈচিত্ৰহীন যেন লাগিলেও, সিবোৰক ক্ৰমাগত তথা লানি নিছিগা বৰ্ণনাই বৈচিত্ৰ প্ৰদান কৰিছে আৰু

ইয়াতেই উপন্যাসখনৰ মূল সৌন্দৰ্য অন্তনিৰ্হিত হৈ আছে।

উপন্যাসখনৰ কাহিনী পৰিয়ালৰ ভিতৰতে সীমাৱদ্ধ (পাৰিবাৰিক উপন্যাস) হোৱা বাবে ইয়াৰ চৰিত্ৰৰ সংখ্যাও সীমিত। উপন্যাসখনৰ শিৰোনামৰ চৰিত্ৰ আফ্‌কে, তেওঁৰ স্বামী মাৰ্টিন, দহোটা ল'ৰা-ছোৱালী ক্ৰমে ডাঙৰ সন্তান চিপাহী ৰাট্‌ছে, নগৰত আনৰ ঘৰত বনকৰা ছোৱালী হিচাপে থকা ডাঙৰ জীয়েক উইপ্‌কি, ইট্‌জে, জুক্‌ ক্লাঝ, জেট্‌ছে, ছিস্কি, বুক্‌জি, উইবি আৰু শেষৰ সন্তান ছিপ্‌কেক লৈয়ে কাহিনীটো সজাই তুলিছে। উপন্যাসখনৰ আৰম্ভণীতে ছাপ্‌কে নামৰ ধাই এগৰাকীক উপস্থাপন কৰিছে যদিও মাত্ৰ কাহিনীটোৰ আৰম্ভণীৰ তাগিদাতহে যেন চৰিত্ৰটো আমদানি কৰিছিল আৰু কাহিনী বিকাশত চৰিত্ৰটোৰ প্ৰয়োজন নোহোৱাত কাহিনীৰ বাকীবিলাক ঘটনাত চৰিত্ৰটোক দেখিবলৈ পোৱা নাযায়। সেইদৰে কাহিনীৰ মাজত শিক্ষক, দুৰ্গটোৰ ৰখীয়া লেঙেৰা বুঢ়া, জেট্‌ছেৰ দুজনমান লগৰীয়া, গাঁৱৰ দুজনীমান তিৰোতাক উপস্থাপন কৰিছে যদিও আফ্‌কেৰ পৰিয়ালৰ চৰিত্ৰকেইটাক ফুটাই তুলিবৰ বাবেহে এই চৰিত্ৰবোৰৰ গুৰুত্ব আছে। আফ্‌কেৰ পৰিয়ালৰ দহোটা ল'ৰা-ছোৱালীৰ প্ৰত্যেকটোৱেই আপোন বৈশিষ্ট্যৰে উজ্জল, যেন ভিন্নৰঙী এধাৰ ফুলৰ মালাহে। হোজা চানেকীয়া সিঁহতৰ মাক আফ্‌কে সেই মালাডালক গাঁঠি ৰখা সূতাডালহে যেনিবা। ভিন্ন বয়সৰ এই সন্তানকেইটাই মাকক দি থকা জুমুৰি আৰু সিঁহতৰ মাজত লগা কাজিয়া তথা ঠেঁহ-পেচবোৰৰ ৰসাল আৰু চিত্ৰধৰ্মী বৰ্ণনাই উপন্যাসখনৰ প্ৰধান আকৰ্ষণ। নটা অধ্যায়ত বৰ্ণিত উপন্যাসখনৰ প্ৰতিটো অধ্যায়তে এটা বা দুটা চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্য প্ৰকাশক ঘটনাৰে উপন্যাসখনৰ কাহিনীভাগ সজাই তুলিছে।